# যোগাযোগ

**JOGAJOG**
**April: 2019**

**Vol : 11 No:07 Sl No: 126**

**Monthly Newsletter of Assam Association, Delhi**



*Editor (Hony):*
**Dr Sangeeta Dutta**
466, 3rd Floor
Shree Awas (L&T Aptt.)
Sector 18-B, Phase II, Dwarka
New Delhi-110078
Ph: +91 9910084548
Email: editorjogajog@gmail.com

Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811



*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: info@assamassociationdelhi.com,
assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.com




## অসম এছোচিয়েছন, দিল্লীৰ ৰঙালী বিহু উদ্‌যাপনৰ প্ৰস্তুতি

অহা ২১ এপ্ৰিল দেওবাৰে অসম এছোচিয়েছন, দিল্লীৰ দ্বাৰা নতুন দিল্লীৰ ৰাজেন্দ্ৰ প্ৰসাদ ৰোডস্থিত ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় কলাকেন্দ্ৰৰ প্ৰাঙ্গণত উলহ-মালহেৰে ৰঙালী বিহু উদযাপনৰ আয়োজন কৰা হৈছে।

আনবাৰৰ দৰে এইবাৰো সন্ধিয়া সাংস্কৃতিক অনুষ্ঠানৰ লগতে হস্ত-কলা, খাদ্য বিপণি আদিৰো ব্যৱস্থা কৰা হৈছে। সন্ধিয়াৰ সাংস্কৃতিক অনুষ্ঠানৰ মুখ্য আকৰ্ষণ হ'ব অসমৰ পৰা নিমন্ত্ৰিত জনপ্ৰিয় কণ্ঠশিল্পী আচুৰ্য্য বৰপাত্ৰগোঁহাই। এই অনুষ্ঠানত আন সাংস্কৃতিক কৰ্মীৰো যোগদানৰ সম্ভাৱনা আছে। থলুৱা কলা-কুশলীৰ দ্বাৰা বিভিন্ন সাংস্কৃতিক অনুষ্ঠান আছেই। মুঠতে অসম এছোচিয়েছন, দিল্লীৰ



কৰ্মীবৃন্দই অসমীয়া বাপতিসাহোন ৰঙালী বিহুটিক আদৰিবলৈ সম্পূৰ্ণ প্ৰস্তুতি চলাই আছে। সমূহ দিল্লী তথা ৰাষ্ট্ৰীয় ৰাজধানী ক্ষেত্ৰৰ ৰাইজৰ ইয়াত যোগদান কামনা কৰা হৈছে। কোনো সদাশয় ব্যক্তি নাইবা অনুষ্ঠানে যদি এই বিহু উদযাপনলৈ দান-বৰঙণি আগবঢ়াব খোজে, তেনেহ'লে অসম এছোচিয়েছন, দিল্লীৰ কাৰ্য্যনিৰ্বাহক কমিটিৰ সৈতে যোগাযোগ কৰিব পাৰে।

## The Assam Association, Delhi is celebrating Rongali Bihu at the Indira Gandhi National Centre for the Arts on 21st April 2019, from 6pm.

**The Assam Association, Delhi will provide space for food stall and other miscellaneous stalls on the day of the Bihu Celebrations.**

**Interested parties may contact the following persons for booking of the space in the IGNCA ground.**

**The space will be allotted after receiving advance in full to the Assam Association Delhi, in cash.**

## The Charges for the stalls are as follows-

**1. 15’x15’ for category ‘A’- Rs. 5000/-**
**(One light and 1 plug point, Chairs- 3 Nos, Table- 2 Nos.)**

**2. 7.5’x15’ feet Category ‘B’- Rs. 3000/**
**(One light and 1 plug point, Chairs- 2 Nos, Table- 1 Nos.)**

## Contact for booking :

**1. Mr. Rupen Goswami ( Mobile no 9555888078)**
**2. Tridib Saikia ( Mobile No 9910800868)**

# গুৰগাঁৱত বিহু

অসমীয়াৰ বাপতি সাহোন ৰঙালীক আদৰিবলৈ বিগত বৰ্ষৰ দৰে এইবাৰো গুৰগাঁও স্থিত "অসম এচ'চিয়েচন গুৰগাঁও"ৰ সমূহ অসমীয়াই ব্যাপক প্ৰস্তুতিৰে অহা ১৩ এপ্ৰিল ২০১৯ তাৰিখে ৰঙালী বিহু উদযাপন কৰাৰ পৰিকল্পনা কৰিছে ।

পুৱা ১০ বজাত শিশুসকলৰ মাজত অনুষ্ঠিত এখনি চিত্ৰাংকন প্ৰতিযোগিতাৰে দিনটোৰ আৰম্ভণি কৰা হ'ব । তাৰ পিছতে অনুষ্ঠিত কৰা হ'ব অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা। গুৰগাওঁ, দিল্লী এন. চি. আৰ অঞ্চলৰ নাৰ্চাৰী শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে সকলো ইচ্ছুক শিশু/ ছাত্ৰ ছাত্ৰীয়ে ইয়াত অংশগ্ৰহণ কৰিব পাৰিব। প্ৰতিবাৰৰ দৰেই বিহুৱতী প্ৰতিযোগিতা দুপৰীয়া ২ বজাৰ পৰা আৰম্ভ হ'ব।

সন্ধিয়া ৬.৩০ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠানৰ শুভাৰম্ভ কৰা হ'ব। গুৰগাওঁৰ স্থানীয় অসমীয়া ৰাইজে পৰিৱেশন কৰিবলগীয়া বিভিন্ন সাংস্কৃতিক অনুষ্ঠানৰ উপৰিও উক্ত সন্ধিয়াটিত বহাগৰ ৰং সানিবলৈ আহিব সুদূৰ ডিব্ৰুগড়ৰ পৰা উজনি অসমৰ জনপ্ৰিয় "প্ৰাগজ্যোতিষ হুঁচৰি দল" ।

অসমীয়া সংগীত জগতৰ জনপ্ৰিয় শিল্পী দীক্ষুৰ সংগীতানুষ্ঠান হ'ব এইবাৰৰ বিহুৰ অন্য এক বিশেষ আকৰ্ষণ।

অসম এচ'চিয়েচন গুৰগাওঁৰ তৰফৰ পৰা *যোগাযোগ*ৰ দ্বাৰাই আপোনালোক সকলোকে বিহুলৈ সাদৰেৰে নিমন্ত্ৰণ জনালোঁ।

যোগাযোগ :

চিত্ৰাঙ্কন প্ৰতিযোগিতা: 9818772792, 9810445710

অসমীয়া কবিতা আবৃত্তি প্ৰতিযোগিতা: 9560829776, 9999111638

বিহুৱতী প্ৰতিযোগিতা : 98180 22507



# দ্বাৰকাত ৰঙালী বিহু ২০ এপ্রিলত

প্রতিবছৰৰ দৰেই এইবাৰো দ্বাৰকাত ৰঙালী বিহু উদ্‌যাপনৰ প্রস্তুতি পূর্ণোদ্যমে চলি আছে। অসমীয়া কৃষ্টি কেন্দ্র, দ্বাৰকাৰ উদ্যোগত দ্বাৰকা আৰু ইয়াৰ দাতিকাষৰীয়া অঞ্চলৰ নিবাসী বৃহৎ সংখ্যক অসমীয়াই বিহু উদ্‌যাপন কৰে ছেক্টৰ ১০ স্থিত প্রাগজ্যোতিষপুৰ এপার্টমেণ্টৰ চৌহদত। কেইবাখনো বিপনিৰ উলহমালহে সৃষ্টি কৰা এক মেলাসদৃশ পৰিবেশৰ মাজত বিভিন্ন সাংস্কৃতিক কার্যসূচীৰে সন্ধিয়া ৭ বজাৰ পৰা বিহু উৎসৱ উদ্‌যাপন কৰা হ'ব। এইবাৰ অনুষ্ঠান পৰিৱেশনৰ বাবে ঘাই বিহুৱা দলটো আহিব অসমৰ ডিব্রুগড়ৰ পৰা। ইয়াৰ উপৰি ১৪ এপ্রিল দেওবাৰে দিনত স্থানীয় মহিলাসকলে জেংবিহু প্রদর্শন কৰিব। লগতে বিহুৰ জলপান খোৱাৰো ব্যৱস্থা কৰা হৈছে।

**MATRIMONIAL**

**Suitable alliance invited for a post graduate 1993 born Assamese girl, teaching in a prestigious school in Gurugram. Parents can be contacted in 9868830875/9013259773.**

**Email id kalyanibasumatari66@gmail.com**

Adv.2/3



# বিয়লি চ'ৰাই আদৰিলে ঋতুৰাজ বসন্তক

বিয়লি চ'ৰাৰ উদ্যোগত যোৱা ৩১ মাৰ্চৰ দিনা সন্ধিয়া শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনৰ মুকলি ৰঙ্গমঞ্চ (Open air Theater)-ত আয়োজিত 'স্বাগতম বসন্ত' অনুষ্ঠানত বিয়লি চ'ৰাৰ সদস্যসকলে সপৰিবাৰে আহি ভাগ লৈ ঋতুৰাজ বসন্তক উলহ-মালহৰে আদৰণি জনায়। বসন্তৰ ৰঙেৰে সজাই-পৰাই



লোৱা মুকলি ৰঙ্গমঞ্চৰ মুকলি আকাশৰ তলত বহি বয়োজ্যেষ্ঠসকলে অপাৰ আনন্দ উপভোগ কৰে। জয়জয়তে বিয়লি চ'ৰাৰ এজন সদস্য ডাঃ ডিম্বেশ্বৰ শইকীয়াৰ যোৱা ২৮ মাৰ্চত ঘটা বিয়োগত আনুষ্ঠানিক ভাবে শোকপ্ৰকাশ কৰা হয়। তাৰ পিচতে সভাপতি নৃপেন্দ্ৰ নাথ গগৈৰ আদৰণি ভাষণেৰে আৰম্ভ হোৱা এই অনুষ্ঠানতে বিয়লি চ'ৰাৰ নতুন ডাইৰেক্টৰিখন উন্মোচন কৰে বিকাশ চন্দ্ৰ বৰাই।

কৰ্ণেল জিতেন হাজৰিকা আৰু ত্ৰৈলোক্য প্ৰসাদ খাওন্দে দুটি সাৰগৰ্ভ কথিকাৰে ঋতুৰাজক গুৰুগম্ভীৰভাবে স্বাগতম জনায়। ৰোহিণী বেজবৰুৱাই স্বৰচিত কবিতা আৰু জগন্নাথ বড়াই সংস্কৃতত শান্তিবাণীৰে পৰিবেশৰ গাম্ভীৰ্য বঢ়ায়। বিয়লি চ'ৰাৰ উপ-সভাপতি শিৱৰাম দেউৰীয়ে

বিয়লি চ'ৰাৰ জন্মক্ষণৰ পৰা এতিয়ালৈকে হোৱা প্ৰগতিৰ কথা স্মৰণ কৰি দুআষাৰ কয়।







বিকাশ চন্দ্ৰ বৰা, কৰ্ণেল জিতেন হাজৰিকা, ডাঃ নীলমণি শৰ্মা, ডাঃ বিজয় মাধৱ হাজৰিকাই কৌতুক শুনায় আৰু উৎপলা বৰা তথা ৰীণা দেৱী সোণোৱালে অভিজ্ঞতা আধাৰিত বক্তব্য ডাঙি ধৰে। ৰীণা সন্দিকৈ আৰু সঙ্গীবৃন্দ ৰীণা ৰাজখোৱা, ৰুমী শৰ্মা আৰু প্ৰাৰ্থনা বৰুৱাই বতৰৰ গীতেৰে সকলোকে আপ্লুত কৰে। অপৰ্ণা চক্ৰৱৰ্তীয়ে এটি সুন্দৰ বনগীত পৰিৱেশন কৰে। ইয়াৰ উপৰি যুৱশিল্পী ডাঃ মনোজ আৰু ৰাজীৱে দুটামান গীত পৰিৱেশন কৰি ৰাইজক আনন্দ দিয়ে।





যুৱশিল্পী ৰাজীৱ আৰু প্ৰনবৰ বিহুৱা দলে পৰিৱেশন কৰা বিহুত বিয়লি চ'ৰাৰ সদস্যসকলেও কঁকাল ভাঙি নাচে। অনুষ্ঠানটোৰ দুটা বিশেষ আৰ্কষণ

আছিল চিঠিখেল আৰু ছে'লফি খেল। চিঠিখেলত ৮ গৰাকী ভাগ্যৱানে পুৰস্কাৰ জয় কৰে আৰু ছে'লফি তোলা প্ৰতিযোগিতাত তিনি গৰাকী প্ৰতিযোগীয়ে পুৰস্কাৰ জয় কৰে। গোটেই অনুষ্ঠানৰ আঁত ধৰে বিয়লি চ'ৰাৰ সাংস্কৃতিক সম্পাদক ডাঃ বিজয় মাধৱ হাজৰিকাই। শেহত বিয়লি চ'ৰাৰ সকলোৰেই মিলি-জুলি তৃপ্তীৰে ভাত এসাজ খায়।

(বাতৰি বিয়লি চ'ৰাৰ সৌজন্যত)









PACKERS & MOVERS


ASSAM DOOARS LOGISTICS

Guwahati : Goenka Building, Kedar Road, Guwahati - 781001
Phone : 9864047677, 9864042023
Delhi : Chaman Plaza, Opp : ISKCON, East of Kalash,
New Delhi – 110065
Tel : 011-49077315, 9212248342, 9811348342
Concern Person : Pawan Agarwal
Email : assamdooarslogistics@gmail.com
(Service all Over North East)

MATRIMONIAL

Alliance invited for an Assamese Hindu Kayastha girl, born in March 1989, education - ICWA(inter) with B.Com(honours), living in Delhi since 2011, currently working in Canadian Tax Profile.
Parents are living in Guwahati. Please contact with confidence at Kanchan.r@hotmail.com
Mobile: 9818133148

Adv. 1/3


ACEGROUP
fulfilling ACEpirations
www.acegroupindia.com
ACEASPIRE
2/3 BHK APARTMENTS
GREATER NOIDA (WEST)
ACE golfshire
SECTOR-150, NOIDA
READY-TO-MOVE-IN
HOMES IN NOIDA Extn.
Actual Picture
SPECIAL TOWER
FOR MEMBERS OF
ASSAM ASSOCIATION,
NEW DELHI
GST FREE •
FREE Parking •
FREE Club Membership •
FREE Floor PLC •
FREE Power Backup •
FREE EDC/IDC •
Actual Picture
ACE GROUP
POSSESSION GURANTEED IN 24 HOURS
For details contact:
Dipankar Phukan - +91 9899836902









**For details contact:**
**Dipankar Phukan - +91 9899836902**